

# OPERATIONAL GUIDELINES

# কাৰ্য্যকৰী নিৰ্দেশিকা

## VENTURE CAPITAL SCHEME FOR AGRI-BUSINESS DEVELOPMENT

of

Small Farmers' Agri-Business Consortium (SFAC)

Govt. of India, Ministry of Agriculture, Deptt. of Agriculture & Co-operation

## কৃষি ব্যৱসায়ৰ বিকাশৰ বাবে ভেন্‌চাৰ মূলধনী আঁচনি


Assam Small Farmers' Agri-Business Consortium

অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম

Agriculture Campus, Khanapara, Guwahati-781022, Assam

Tele. Fax : 0361-2334240, 2333560

E-Mail : asm-sfac@nic.in ; assamsfac@yahoo.com

Webportal : www.assamagribusiness.nic.in






**তৰুণ গগৈ**

মুখ্যমন্ত্ৰী, অসম

সত্যমেৱ জয়তে

দিশপুৰ

৩১-১০-০৫

## শুভেচ্ছা বাণী

কেন্দ্ৰীয় চৰকাৰৰ বেংকীয় প্ৰকল্প ‘কৃষি ব্যৱসায়ৰ উন্নয়নৰ বাবে ভেনচাৰ মূলধনী আঁচনি’ৰ অধীনৰ একুইটি অংশ গ্ৰহণ আৰু প্ৰকল্প উন্নয়নী সেৱাৰ জৰিয়তে আগবঢ়োৱা সুবিধা সমূহ গ্ৰহণ কৰাত সহায়ক হোৱাকৈ নিৰ্বাচিত কৃষক, উৎপাদক গোট, কৃষি ঔদ্যোগী আৰু কৃষি স্নাতকসকলক পথ নিৰ্দেশনা দিয়াৰ বাবে চৰকাৰী কৰ্মী আৰু বেংকাৰসকলক মই অনুৰোধ জনাইছোঁ।

এই আঁচনিখনৰ নিৰ্দেশাৱলী ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰকাশ কৰি চৰকাৰী কৰ্মী, বেংকাৰ, সমিতি, ঔদ্যোগী আৰু কৃষকসকলৰ মাজত আঁচনিখনৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামে লোৱা উদ্যোগৰো মই শলাগ লৈছো।

কৃষি ব্যৱসায়ৰ জৰিয়তে অসমৰ পাম সমৃদ্ধি গঢ়ি তোলাৰ ক্ষেত্ৰত অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামে লোৱা প্ৰয়াসলৈ শুভেচ্ছাৰে,

(তৰুণ গগৈ)

सत्यमेव जयते



ৰাজেদ আলি চৌধুৰী

ৰাজ্যিক কৃষি মন্ত্ৰী (স্বতন্ত্ৰ), অসম

## শুভেচ্ছা বাণী

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু সমবায় বিভাগৰ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ 'কৃষি ব্যৱসায়ৰ উন্নয়নৰ বাবে ভেন্‌চাৰ মূলধনী আঁচনি' নামৰ আঁচনিখনে কৃষক, পাম ঔদ্যোগী, আত্ম সহায়ক গোট, কৃষি / উদ্যান শস্য / মীন / ৰেচমখণ্ডৰ সৈতে জড়িত উৎপাদক সংস্থা তথা সংশ্লিষ্ট খণ্ডসমূহ আৰু কৃষি, উদ্যান শস্য, মীন তথা ৰেচম স্নাতক সকললৈ ঋণ লাভৰ জৰিয়তে বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰি কৃষিভিত্তিক উদ্যোগ স্থাপন কৰাৰ লগে লগে নিশ্চিত লাভৰ পথ সুগম কৰা তথা কৃষক সকলক এখন নিশ্চিত বজাৰ দিয়া আৰু মানসম্পন্ন পণ্য উৎপাদনৰ জৰিয়তে পামৰ আয় বৃদ্ধি কৰাত উল্লেখযোগ্য সুবিধা আগবঢ়াইছে।

ইয়াৰ জৰিয়তে মই কৃষি, উদ্যান শস্য, মীন আৰু ৰেচমখণ্ডৰ সৈতে জড়িত চৰকাৰীকৰ্মীসকল, বেংকাৰ, উৎপাদক সংস্থা, পথাৰ পৰিচালনা সমিতি আৰু বেচৰকাৰী সংস্থাসমূহক এই আঁচনিখনৰ সন্দৰ্ভত ভালদৰে বোধগম্য হৈ উপযুক্ত ঔদ্যোগিক নিপুণতা থকা উদ্যোগী আৰু উৎপাদক সংস্থা সমূহক চিনাক্ত কৰি পথ নিৰ্দেশনা দিবলৈ অনুৰোধ জনাইছো যাতে এইসকল উদ্যোগীয়ে এই আঁচনিখনৰ পৰা উপযুক্ত ধৰণে লাভবান হ'ব পাৰে।

জনপ্ৰতিনিধি, চৰকাৰী কৰ্মী, বেংকাৰ, কৃষক তথা অন্যান্য সকলৰ মাজত ব্যাপক প্ৰচাৰৰ বাবে অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনচ'ৰ্টিয়ামে এই আঁচনি খনৰ নিৰ্দেশাৱলী ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰচাৰৰ বাবে লোৱা উদ্যোগ প্ৰশংসাযোগ্য।

( ৰাজেদ আলি চৌধুৰী )

31/10/05

लघु कृषक कृषि–व्यापार संघ

# SMALL FARMERS' AGRI-BUSINESS CONSORTIUM

(Department of Agriculture and Cooperation, Ministry of Agriculture, Govt. of India)



## MESSAGE

**SURANJANA RAY, I.A.S.,**
Managing Director

I am happy to know that Assam Small Farmers' Agri-business Consortium is publishing the Guidelines of the Venture Capital Scheme for Agri-business Development" in English as well as in Assamese for wide dissemination amongst functionaries of the State Government and the banks, who need to generate adequate and viable project proposals that could be supported under the Scheme.

Since time immemorial, agribusiness has played a vital role for farmers to generate reasonable income for his produce and meet the daily needs of the consumers. However, despite its immense potential, this sector has remained largely undeveloped.

In order to boost the development of agribusiness in the country it is necessary that agripreneurs link up with farmers and banks to induct new techniques and technology for value addition and offer the consumer a variety of produce as per standards of quality to again competitive access to local as well export markets.

SFAC's Venture Capital Assistance scheme is designed to help entrepreneurs with adequate linkage to farmers in setting up of agribusiness.

( SURANJANA RAY )
Managing Director

NCUI Auditorium Building, 5th Floor, 3, Siri Institutional Area, August Kranti Marg, Hauz Khas, New Delhi-110016
**Tel. : 26862365, EPABX :** 26966017, 26966037 **Fax :** 26862367, **Email:** sfac@ren02.nic.in ; **Website:** www.sfacindia.com



ড০ এম, আৰিজ আহমেদ, আই. এ. এচ,
মুখ্য কাৰ্য্যবাহী বিষয়া,
অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম

## শুভেচ্ছা বাণী

বহুমুখীকৰণৰ সাৰ্থক প্ৰয়োগেৰে বিশেষকৈ কৃষি-উদ্যান খণ্ডত বিপণনযোগ্য ৰাহি পণ্য সামগ্ৰীৰ উৎপাদনেৰে আমাৰ ৰাজ্য অসমে নিজৰ উজ্জীৱিত স্থিতি প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ফলত এই বিপণনযোগ্য ৰাহি কৃষি উদ্যানজাত পণ্যৰ মান সংযোজন আৰু উপযুক্ত মূল্য প্ৰাপ্তিৰ ক্ষেত্ৰত সুবিধা আৰু প্ৰত্যাহ্বান দুয়োটাই দেখা দিছে। এই ক্ষেত্ৰত কৃষি ভিত্তিক উদ্যোগ স্থাপনে এই প্ৰত্যাহ্বানক সুবিধালৈ পৰিবৰ্তিত কৰাৰ লগে লগে পাম উৎপাদিত পণ্যৰ মান উন্নয়ন সাধন আৰু বহুমুখীকৰণক উৎসাহিত কৰি এখন নিশ্চিত বজাৰ প্ৰাপ্তিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। কিন্তু অসমৰ ক্ষেত্ৰত কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ ক্ষেত্ৰত উপযুক্ত প্ৰকল্পৰ অভাৱ তথা এনেধৰণৰ উদ্যোগ স্থাপনৰ বাবে বৃহৎ পৰিমাণত বিনিয়োগ কৰিবলৈ প্ৰয়োজন হোৱা ঋণ তথা সমৰ্থিত ব্যৱস্থাপনাৰ অভাৱ অন্যতম প্ৰতিবন্ধক বুলি কোৱা হৈছে। এই ক্ষেত্ৰত মান সংযোজিত পণ্য উৎপাদনত সহায়ক হোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু সমবায় বিভাগৰ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে 'কৃষি ব্যৱসায়ৰ বিকাশৰ কাৰণে ভেনচাৰ মুলধনী সাহায্য 'নামৰ আঁচনিখনৰ জৰিয়তে কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ বাবে আগ্ৰহীসকললৈ ২৫ লাখ বা তাতকৈ অধিক পৰিমাণৰ ধন সাহায্য হিচাপে আগবঢ়াই এক সুন্দৰ সুবিধা আগবঢ়াইছে। কৃষি/উদ্যান শস্য/মীন পালন/ ৰেচমখণ্ডৰ সৈতে জড়িত কৃষক/কৃষি উদ্যোগী/আত্ম সহায়ক গোট/উৎপাদক সংস্থা/ কোম্পেনী আৰু পাম তথা কৃষি, উদ্যান শস্য, মীন আৰু ৰেচম স্নাতকসকল এই সুবিধা লাভ কৰাৰ বাবে যোগ্য বুলি বিবেচিত হ'ব।

বহুমুখীকৰণৰ জৰিয়তে মান সংযোজিত পণ্য উৎপাদন কৰি পামৰ আয় বৃদ্ধি আৰু উৎপাদকক এখন নিশ্চিত বজাৰৰ সন্ধান দিবলৈ সক্ষম হোৱা কৃষি নাইবা তেনেধৰণৰ উৎপাদিত সামগ্ৰীৰ সৈতে জড়িত প্ৰকল্পক এই আঁচনিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হ'ব আৰু প্ৰযুক্তি আৰু বাণিজ্যিক ভাবে সম্ভাৱনীয়তা বহন কৰা প্ৰকল্পলৈ বেংকে ঋণ আগবঢ়াব। এই আঁচনিয়ে পশুপালন, দুগ্ধ উৎপাদন আৰু কুকুৰাপালনৰ দৰে নাবাৰ্ডৰ আঁচনিৰে সামৰি লোৱা আঁচনি কেইখনক সামৰি নল'ব।

এই আঁচনিখনৰ দুটা উপাংশ আছে। (১) ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ একুইটি অংশ গ্ৰহণ, অংশ গ্ৰহণকাৰী বাণিজ্যিক বেংকে সিদ্ধান্ত লোৱা অনুসৰি মুঠ প্ৰকল্প মূল্যৰ ১০ শতাংশলৈকে বা মুঠ প্ৰকল্প একুইটিৰ ২৬ শতাংশ নাইবা ৭৫ লাখ টকা যিটোৱেই ভেনচাৰ মূলধন হিচাপে সৰ্বনিম্ন হিচাপে বিবেচিত হয়। ইয়াৰ বাবে ঔদ্যোগীয়ে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ সৈতে এখন চুক্তিত উপনীত হ'ব লাগিব। (২) প্ৰকল্প উন্নয়নী সুবিধাৰ অধীনত বেংকৰ বাবে গ্ৰহণযোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ বাবে সাহায্য। এই প্ৰকল্প উন্নয়নী সুবিধাই অগ্ৰ আৰু পশ্চাৎমুখী সম্ভাৱনাৰ সৈতে থলুৱা উৎপাদনৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা বেংকৰ ঋণ উপযোগী আবেদন অনুবাদ কৰিবলৈ এক নিখুঁত প্ৰকল্প প্ৰস্তুতিত বেংকাৰ আৰু ঔদ্যোগীসকলক সহায় কৰিব। 'প্ৰকল্প উন্নয়নী সুবিধা' ৰ অধীনত সেৱা লাভ কৰিবলৈ আগ্ৰহী হিতাধিকাৰী সকলক ইয়াৰ বাবে চুপাৰিচ বিচাৰি স্থানীয় বাণিজ্যিক বেংকৰ সৈতে প্ৰস্তাৱসহ যোগাযোগ কৰিবলৈ কোৱা হৈছে। উদ্যান শস্যখণ্ডৰ সৈতে জড়িত সকলৰ এই ক্ষেত্ৰত আৰু এটা সুবিধা আছে - তেওঁলোকে এই আঁচনিখনৰ পৰা বহুমুখী লাভ পাবলৈ এই আঁচনিখনক উদ্যানশস্য পৰিষদ / উদ্যানশস্যৰ উন্নয়নৰ বাবে প্ৰযুক্তি অভিযান / খাদ্য সংসাধন মন্ত্ৰণালয়ৰ আঁচনিৰ সৈতে একেলগ কৰিব পাৰে।

নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতি, একুইটিৰ মঞ্জুৰি, ঋণ আগবঢ়োৱা, প্ৰকল্পৰ ৰূপায়ণ, সুক্ষ্ম নিৰীক্ষণ আৰু প্ৰকল্পলৈ সমৰ্থনেৰে ভেনচাৰ মূলধনী সাহায্যক প্ৰকৃত ৰূপত সাব্যস্ত কৰিব। অধিক তথ্যৰ বাবে অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম, ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম নাইবা স্থানীয় বাণিজ্যিক বেংকৰ সৈতে আগ্ৰহীসকলে যোগাযোগ কৰিব পাৰে। এই আঁচনিৰ নিৰ্দেশাৱলীসমূহ অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ ৱেব চাইট 'আশা' ৰ জৰিয়তেও উপলব্ধ হ'ব।

মহম্মদ আৰিজ আহমেদ

(এম, আৰিজ আহমেদ, আই.এ.এচ,)

# আলোকপাত

## কৃষি ব্যৱসায় উন্নয়নৰ বাবে ভেন্‌চাৰ মূলধনী আঁচনি

১। ভেন্‌চাৰ মূলধন (Venture Capital)ঃ বেংকৰ অংশগ্ৰহণেৰে কৃষি ব্যৱসায়িক ক্ষেত্ৰত বিনিয়োগৰ উন্নীতকৰণ।

ক) কৃষি প্ৰকল্প একোটাৰ মুঠ প্ৰকল্প ব্যয়ৰ ১০ শতাংশ পৰ্যন্ত একুইটি (equity) বা মুঠ প্ৰকল্প একুইটিৰ ২৬ শতাংশ নাইবা ৭৫ লাখ টকা যিটোৱেই সৰ্বনিম্ন - তাৰে অংশ গ্ৰহণ।

খ) পাৰ্বত্য অঞ্চল আৰু উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত প্ৰকল্প সমূহৰ লগতে ৰাজ্যিক সংস্থা / ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ দ্বাৰা অনুমোদিত প্ৰকল্প সমূহৰ দৰে বিশেষ ক্ষেত্ৰত অধিকতৰ একুইটি সম্ভৱপৰ ।

২। প্ৰকল্প উন্নয়নী সুবিধা (Project Development Facility–PDF)ঃ বেংকৰ বাবে গ্ৰহণ যোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে কৃষক, উৎপাদক গোট, কৃষি উদ্যোগী, কৃষি ৰপ্তানি মণ্ডলৰ গোট, বিভিন্ন সংস্থা আৰু কৃষি স্নাতকৰ বাবে বিত্তীয় সাহায্যৰ যোগান।

৩) পুঁজিৰ যোগান ধৰিবলৈ যোগ্যতা ঃ

ক) প্ৰকল্প সমূহ কৃষি আৰু ইয়াৰ সহযোগীখণ্ড যেনে উদ্যান শস্য, পুষ্পখণ্ড, ঔষধি আৰু সুবাসিত গছ-লতিকা, ক্ষুদ্ৰ বন উৎপাদিত সামগ্ৰী, ৰেচম, জৈৱ কৃষি, কেঁচুসাৰ, মৌ-পালন, ৰোপণ শস্য আৰু মীন পালনৰ ওপৰত হ'ব লাগিব। কুকুৰা পালন আৰু দুগ্ধ উৎপাদন প্ৰকল্পক এই আঁচনিৰ অধীনত সামৰি লোৱা নহ'ব।

খ) প্ৰকল্পই কৃষক / উৎপাদক গোটক নিশ্চিত বজাৰৰ সন্ধান দিব লাগিব।

গ) বহুমুখীকৰণৰ জৰিয়তে উচ্চ মানবিশিষ্ট শস্যৰ উৎপাদন, পামৰ আয় বৃদ্ধিৰ বাবে প্ৰকল্পসমূহে কৃষকক উৎসাহিত কৰিব পাৰিব লাগিব।

ঘ) সময় নিৰ্দ্ধাৰিত ঋণ মঞ্জুৰীৰ বাবে প্ৰকল্প সমূহ বেংকৰ বাবে গ্ৰহণযোগ্য হ'ব লাগিব।

সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক ঃ-

১। পৰিচালন সঞ্চালক
ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম
কৃষি আৰু সমবায় বিভাগ, ভাৰত চৰকাৰ, কৃষি মন্ত্ৰালয়
এন. চি. ইউ. আই অ'ডিটৰিয়াম বিল্ডিং, ৫ম মহলা
৩, চিৰি ইনষ্টিটিউচনেল এৰিয়া, আগষ্ট ক্ৰান্তি মাৰ্গ
হ'জ খাছ, নতুন দিল্লী- ১১০০১৬
ফোন আৰু ফেক্স ঃ ০১১-২৬৯৬৬০১৭/৩৭/৩৯, ফেক্স ঃ ০১১-২৬৮৬২৩৬৭
ই-মেইল ঃ sfac@ren02.nic.in ; ৱেব প'ৰ্টেল ঃ www.sfacindia.com

২। মুখ্য কাৰ্য্যবাহী বিষয়া
অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম
(অসম চৰকাৰ)
কৃষি চৌহদ, খানাপাৰা, গুৱাহাটী-২২
ফোন আৰু ফেক্স ঃ ০৩৬১-২৩৩৪২৪০, ২৩৩৩৫৬০
ই-মেইল ঃ asm-sfac@nic.in ; assamsfac@yahoo.com
ৱেব প'ৰ্টেল ঃ www.assamagribusiness.nic.in

৩। ক্ষেত্ৰীয় প্ৰকল্প সমন্বয়ক, ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম, ক্ষেত্ৰীয় কাৰ্য্যালয় (উত্তৰ-পূব), গুৱাহাটী-৫ ঃ ফোন নং - ০৩৬১-২৪৫০৩৩৭

# ভেনচাৰ মূলধনী সাহায্য আৰু প্ৰকল্প উন্নয়নী সুবিধাৰ জৰিয়তে কৃষি ব্যৱসায় উন্নয়নী আঁচনি

১। **পটভুমি ঃ**

ব্যক্তিগত খণ্ডত ভাৰতবৰ্ষৰ একক আৰু সৰ্ববৃহৎ অৰ্থনৈতিক কামকাজৰ ক্ষেত্ৰ হ'ল কৃষি। উচ্চমান বিশিষ্ঠ সংসাধিত পণ্যৰ বৰ্দ্ধিত চাহিদা তথা খাদ্য গ্ৰহণৰ ক্ষেত্ৰত দেখা দিয়া পৰিবৰ্তনে আমাৰ কৃষিখণ্ডৰ বিকাশৰ সম্ভাৱনা বহুখিনি বৃদ্ধি কৰিছে। এই সন্দৰ্ভীয় প্ৰচেষ্টাৰ সফলতাৰ বাবে প্ৰয়োজন ন- ন বিষয়ৰ সংযোজন, পৰিবৰ্তন তথা অংশীদাৰিত্বৰ। ব্যক্তিগত কৃষি ব্যৱসায়ে পামখণ্ডৰ বাবে প্ৰথমতেই সৃষ্টি কৰে বজাৰৰ আৰু এই সন্দভীয় বিকাশ মুখ্যতঃ নিৰ্ভৰ কৰে ব্যক্তিগত পৰ্যায়ৰ আৰম্ভণীৰ ওপৰতেই। এক ব্যাপক সংখ্যক কৃষি ব্যৱসায়িক কামকাজক ক্ষুদ্ৰ আৰু মধ্যম পৰ্য্যায়ত গ্ৰহণ কৰা উদ্যমৰ ফলশ্ৰুতি বুলি কব পাৰি। পাম বা পথাৰৰ পৰা আমাৰ খোৰা মেজলৈকে পণ্য উৎপাদনৰ নিৰৱচ্ছিন্ন শিকলি ডালৰ পৰা উদ্ভৱ হোৱা সুবিধাবোৰ গ্ৰহণ কৰিবলৈ এনেধৰণৰ উদ্যম সমূহ স্বাভাবিক ভাবেই আজি বিস্তৃত হৈ পৰিছে। নতুন কৃষি ব্যৱসায়িক প্ৰকল্পৰ বিকাশৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা মূল দিশ দুটা হৈছে তথ্য আহৰণ আৰু ঋণ লাভৰ অসুচলতা। কৃষি ব্যৱসায়ৰ সৈতে জড়িত উদ্যোগীসকল সাধাৰণতেই প্ৰথম পুৰুষৰ যি সকলৰ ব্যৱসায়িক নৈপুণ্য থকাৰ বিপৰীতে বিত্তীয় সমল যথেষ্ট সীমাবদ্ধ। সেয়েহে দেশত কৃষি ব্যৱসায়ৰ বিকাশৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ ভেন্‌চাৰ মূলধনী আঁচনিয়ে ----

ক) একুইটি অংশীদাৰিত্বৰে কৃষি ব্যৱসায়িক প্ৰকল্প স্থাপনৰ বাবে কৃষি ঔদ্যোগীলৈ সহযোগিতা আগবঢ়ায় আৰু

খ) প্ৰকল্প উন্নয়নী সুবিধা (PDF) ৰ জৰিয়তে বেংকৰ দ্বাৰা গ্ৰহণযোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) যুগুতোৱাৰ ক্ষেত্ৰত বিত্তীয় সহযোগিতা আগবঢ়ায়।

২। **উদ্দেশ্য ঃ**

এই আঁচনিৰ মুখ্য উদ্দেশ্য সমূহ এনেধৰণৰ ঃ

ক) বেংকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপনেৰে কৃষি ব্যৱসায়ৰ প্ৰয়াসক সহজ সাধ্য কৰি তোলা।

খ) কৃষি ব্যৱসায়িক প্ৰকল্প স্থাপনৰ বাবে ব্যক্তিগত বিনিয়োগক উজ্জীৱিত কৰা আৰু ইয়াৰ জৰিয়তে গ্ৰাম্য আয় আৰু নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ বাবে উৎপাদকলৈ এখন নিশ্চিত বজাৰ যোগান ধৰা।

গ) কৃষি ব্যৱসায়িক প্ৰকল্পৰ পশ্চাৎমুখী সংযোগক শক্তিশালী কৰি তোলা।

ঘ) প্ৰকল্প উন্নয়নী সুবিধা (PDF) ৰ জৰিয়তে মান সংযোজিত ব্যৱস্থাত অধিক অংশ গ্ৰহণৰ বাবে কৃষক, উৎপাদক গোট আৰু কৃষি স্নাতক সকলক সহায় কৰা।

ঙ) নিৰ্বাচিত কৃষি ব্যৱসায়িক প্ৰকল্প স্থাপনৰ বাবে কৃষি উদ্যোগীসকললৈ প্ৰশিক্ষণ আৰু ভ্ৰমণৰ সুবিধা আগবঢ়োৱা।

৩। **আঁচনিখনৰ কেতবোৰ মুখ্য দিশ ঃ**

৩ (ক) ভেন্‌চাৰ মূলধনী সাহায্য ঃ

বিত্তীয় সাহায্য আগবঢ়োৱা প্ৰকল্পক বেংকে দিয়া অনুমোদন পত্ৰৰ আধাৰত যোগ্য প্ৰকল্প সমূহলৈ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে একুইটি

আগবঢ়াব। প্ৰকল্পলৈ বেংকে আগবঢ়োৱা সময় নিৰ্দিষ্ট ঋণ প্ৰকল্পই পৰিশোধ কৰাৰ পাছত এই একুইটি মূলধন ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামলৈ পুনঃ পৰিশোধৰ জৰিয়তে উভটি আহিব।

নিম্নোক্ত চৰ্তসমূহ পূৰণ হ’লেহে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামে একুইটি অংশ গ্ৰহণৰ দ্বাৰা কৃষি ব্যৱসায়িক প্ৰকল্পলৈ বিত্তীয় সাহায্য আগবঢ়াব।

ক) ভেন্‌চাৰ মূলধনৰ অধীনত যোগ্য প্ৰকল্প ঃ

১) প্ৰকল্প সমূহ কৃষি আৰু ইয়াৰ সহযোগীখণ্ড যেনে উদ্যান শস্য, পুষ্পখণ্ড, ঔষধি আৰু সুবাসিত গছ-লতিকা ,ক্ষুদ্ৰ বন উৎপাদিত সামগ্ৰী, ৰেচম, জৈৱ কৃষি, কেঁচু সাৰ, মৌপালন, ৰোপন শস্য আৰু মীন পালনৰ ওপৰত হ’ব লাগিব। কুকুৰা পালন আৰু দুগ্ধ উৎপাদন প্ৰকল্পক এই আঁচনিৰ অধীনত সামৰি লোৱা নহ’ব।

২) প্ৰকল্পই কৃষকক / উৎপাদক গোটক এখন নিশ্চিত বজাৰ দিব পাৰিব লাগিব।

৩) বহুমুখীকৰণৰ জৰিয়তে উচ্চ মানবিশিষ্ট শস্যৰ উৎপাদন, পামৰ আয় বৃদ্ধিৰ বাবে প্ৰকল্পই কৃষকক উৎসাহী কৰি তুলিব লাগিব।

৪) সময় নিৰ্দ্ধাৰিত ঋণ মঞ্জুৰীৰ বাবে প্ৰকল্পসমূহ বেংকৰ বাবে গ্ৰহণ যোগ্য হ’ব লাগিব।

খ) প্ৰকল্প ব্যয় আৰু নিম্নোক্ত দিশসমূহৰ সৰ্বনিম্নতাৰ ওপৰত ভিত্তি কৰি ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামৰ ভেন্‌চাৰ মূলধনী সাহায্যৰ পৰিমাণ নিৰ্ভৰ কৰিব -

-- বেংকৰ দ্বাৰা ধাৰ্য্য কৰা মুঠ প্ৰকল্প ব্যয়ৰ ১০ শতাংশ

-- প্ৰকল্প একুইটিৰ ২৬ শতাংশ

-- ৭৫ লাখ টকা

গ) যোগ্য প্ৰকল্প, দূৰ আৰু অনগ্ৰসৰ অঞ্চলৰ প্ৰকল্প, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহ আন পাহাৰীয়া ৰাজ্য আৰু ৰাজ্যিক সংস্থাই চুপাৰিশ কৰা প্ৰকল্প সমূহক অধিক পৰিমাণৰ ভেন্‌চাৰ মূলধনী সাহায্যৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামে বিবেচনা কৰিব।

ঘ) সংশ্লিষ্ট অঞ্চলৰ বাবে দায়বদ্ধ বেংকৰ ওচৰত হিতাধিকাৰীয়ে বেংকৰ বাবে গ্ৰহণযোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) ৰ জৰিয়তে প্ৰকল্প প্ৰস্তাৱ জমা দিব লাগিব।

ঙ) প্ৰকল্প প্ৰস্তাৱ লাভ কৰাৰ পাছত বেংকে প্ৰকল্প ৰূপায়ণৰ বাবে হিতাধিকাৰীৰ বাবে প্ৰয়োজনীয় সময় নিৰ্দিষ্ট ঋণৰ / কাৰ্যকৰী মূলধনৰ মূল্যাংকণ কৰিব আৰু সেইমতে মঞ্জুৰী দিব।

চ) ৩নং দফাৰ ক, খ আৰু গ উপদফা অনুসৰি বেংকে ভেন্‌চাৰ মূলধনৰ পৰিমাণ নিৰ্ণয় কৰিব আৰু নিজৰ চুপাৰিশৰ সৈতে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামলৈ প্ৰেৰণ কৰিব।

ছ) হিতাধিকাৰীলৈ বেংকে মঞ্জুৰ কৰা ধন কামৰ ক্ষেত্ৰভিত্তিক (case to case) অগ্ৰগতিৰ ভিত্তিত মোকলাই দিবলৈ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামে সংশ্লিষ্ট বেংকলৈ ধন মুকলি কৰি দিব। এই ধন বেংকে হিতাধিকাৰীক একেবাৰতে (Lumpsum) দিব নে পৰ্য্যায় ক্ৰমে মুকলি কৰি দিয়া উচিত হ’ব সেয়া সংশ্লিষ্ট বেংকে বিবেচনা কৰিব।

জ) প্ৰকল্পলৈ বিত্তীয় সাহায্য আগবঢ়োৱা বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ’ৰ্টিয়ামৰ পৰা ভেন্‌চাৰ মূলধনী সাহায্য হিচাপে লাভ কৰা সময় নিৰ্দিষ্ট ঋণ / কাৰ্যকৰী মূলধন আৰু একুইটিৰ পৰিমাণ ‘এখন খিৰিকি’ (Single Window) ৰে হিতাধিকাৰীলৈ আগবঢ়াব।

ঝ) ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে আগবঢ়োৱা বিত্তীয় সাহায্য একুইটি ধৰণৰ হ'ব। প্ৰকল্পই বেংকৰ সময় নিৰ্দ্ধাৰিত ঋণ সম্পূৰ্ণৰূপে পৰিশোধ নকৰাকৈ আৰু এই পৰিশোধৰ শেষৰ দিনটোলৈকে এই ঋণ নিজে নিজে সময় নিৰ্দ্ধাৰিত ঋণলৈ পৰিবৰ্তিত হ'ব।

ঞ) ভেন্‌চাৰ মূলধন সময় নিৰ্দ্ধাৰিত ঋণলৈ পৰিবৰ্তিত হোৱাৰ পাছত একেলগে অথবা চাৰিটা কিস্তিত সময় নিৰ্দ্ধাৰিত ঋণৰ সুতৰ হাৰৰ সৈতে একে হাৰত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক পৰিশোধ কৰিব লাগিব।

ট) ঋণৰ নিস্পত্তি নোহোৱালৈকে হিতাধিকাৰীৰ মুখ্য / আনুষংগিক বন্ধকী বেংকৰ জিম্মাত থাকিব। বেংকৰ সময় নিৰ্দ্ধাৰিত ঋণ পৰিশোধৰ পিছত এই বন্ধকীসমূহ ভেন্‌চাৰ মূলধন আদায়কৰণৰ বাবে স্বয়ংক্ৰিয় ভাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ জিম্মালৈ যাব।

ঠ) ঋণ পৰিশোধৰ বাবে ধাৰ্য কৰা সূচীকে ধৰি বেংকে মঞ্জুৰ কৰা সময় নিৰ্দ্ধাৰিত ঋণৰ চুক্তি পত্ৰৰ সবিশেষ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক বেংকে জনাব লাগিব।

ড) প্ৰকল্পৰ ৰূপায়ণ আৰম্ভ হোৱাৰ লগে লগে প্ৰকল্পৰ কাম কাজৰ বাৰ্ষিক খতিয়ান বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক জনাই থকাৰ উপৰিও সময়ে সময়ে প্ৰকল্প ৰূপায়ণৰ অগ্ৰগতি আৰু সময় নিৰ্দ্ধাৰিত ঋণ পৰিশোধ সন্দৰ্ভত কনছ'ৰ্টিয়ামক অৱগত কৰি থাকিব লাগিব।

ঢ) ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ পৰা লাভ কৰা পুঁজি বেংকে সুকীয়া একাউণ্টত ৰাখিব লাগিব আৰু প্ৰকল্প ৰূপায়ণৰ বাবে যেতিয়া যেনেকৈ প্ৰয়োজন হয় সেই অনুসৰি উদ্যোক্তালৈ পুঁজিৰ যোগান ধৰিব।

৩ (খ) **প্ৰকল্প উন্নয়নী সুবিধা ঃ**

ক) ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে তালিকাভুক্ত পৰামৰ্শদাতা/প্ৰতিষ্ঠানৰ জৰিয়তে বেংকৰ বাবে গ্ৰহণযোগ্য বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে কৃষক, উৎপাদক গোট, কৃষি উদ্যোগী, কৃষি ৰপ্তানী মণ্ডলৰ গোট আৰু কৃষি স্নাতক (হিতাধিকাৰী) লৈ বিত্তীয় সাহায্য আগবঢ়ায়। ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে প্ৰকল্পৰ আকাৰ, স্থান, কাম কাজ আৰু পৰিসীমাক ভিত্তি কৰি বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ বাবে case to case হিচাপত ৫ লাখ টকা পৰ্য্যন্ত সাহায্য আগবঢ়াব।

খ) বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে সাহায্য বিচৰা হিতাধীকাৰীসকলে প্ৰস্তাৱিত প্ৰকল্প সন্দৰ্ভীয় সম্পূৰ্ণ তথ্য /প্ৰাক-সম্ভাৱনীয়তা তথ্য-পাতি সহ নিকটৱৰ্তী বাণিজ্যিক বেংকৰ শাখাৰ সৈতে বেংকৰ অনুমোদনৰ বাবে যোগাযোগ কৰিব পাৰে।

গ) পৰিকল্পনা কৰা প্ৰকল্পৰ সম্ভাৱনীয়তাৰ সন্দৰ্ভত বেংক সন্তুষ্ট বা নিশ্চিত হোৱাৰ পাছত বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে বিত্তীয় সাহায্য যোগান ধৰিবলৈ বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক চুপাৰিশ কৰিব। পৰিকল্পনা কৰা প্ৰকল্পৰ আকাৰ-প্ৰকাৰ ৫০ লাখ টকাৰ ওপৰত হ'ব লাগিব (উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ আৰু অন্যান্য পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত এই পৰিমাণ ২৫ লাখ টকা)।

ঘ) প্ৰকল্পৰ কামকাজ আৰু অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে তালিকাভুক্ত কোনো পৰামৰ্শদাতাক বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে দায়িত্ব দিব।

ঙ) ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে সংশ্লিষ্ট পৰামৰ্শদাতাক অৱগত কৰি সংশ্লিষ্ট বেংকলৈ বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় ধন মুকলি কৰি দিব।

চ) বেংকে প্ৰথম পৰ্য্যায়ত তালিকাভুক্ত পৰামৰ্শদাতালৈ ২৫ শতাংশ ধন মুকলি কৰি দিব। ইয়াৰ পিছত বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) বেংকে

লাভ কৰাৰ সময়ত ৫০ শতাংশ আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR)ৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিবেদন লাভ কৰাৰ এটা পযেকৰ ভিতৰত বাকী ২৫ শতাংশ ধন বেংকে পৰামৰ্শদাতালৈ মুকলি কৰি দিয়ে। পৰামৰ্শদাতাই বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) ৰ তিনিটা প্ৰতিলিপি প্ৰস্তুত কৰি এটা হিতাধিকাৰীক, এটা বেংকক আৰু এটা ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক জমা দিব লাগিব।

ছ) সময় নিৰ্দ্ধাৰিত ঋণৰ মঞ্জুৰী বা ভেন্চাৰ কেপিটেল মুকলি কৰি দিয়াৰ বাবে বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ পৰা বা পৰামৰ্শদাতাৰ পৰা প্ৰত্যক্ষ ভাবে লাভ কৰা বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) খন খুটি-নাতি মাৰি পৰীক্ষা কৰিব। সময় নিৰ্দ্ধাৰিত ঋণ মঞ্জুৰী পত্ৰৰ এটা প্ৰতিলিপি ৰেকৰ্ডৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামলৈ প্ৰেৰণ কৰিব লাগিব।

জ) প্ৰকল্প উন্নয়নী সুবিধা (PDF) আঁচনিয়ে ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামকো কৃষি ব্যৱসায়ৰ উন্নীতকৰণৰ সৈতে জড়িত কাম-কাজৰ বাবে বিত্তীয় সাহায্য আগবঢ়াব। প্ৰকল্প উন্নয়নী সুবিধা (PDF) আঁচনিয়ে নিৰ্বাচিত কৃষি ব্যৱসায়িক প্ৰকল্পৰ ঔদ্যোগীলৈও প্ৰশিক্ষণ, ভ্ৰমণ আদিৰ ব্যৱস্থা কৰিব।

ঝ) ঔদ্যোগী আৰু উৎপাদক সংস্থা সমূহৰ কামত অহাকৈ ভেন্চাৰ মূলধনী সাহায্য আঁচনিৰ উপযোগিতা সমূহৰ ব্যাপক প্ৰচাৰৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ প্ৰকল্প উন্নয়নী সুবিধা (PDF) ই ৰাষ্ট্ৰীয় কৃষি বিপণন প্ৰতিষ্ঠান (NIAM) জয়পুৰ, ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ ব্যৱস্থাপনা প্ৰতিষ্ঠান (MANAGE) হায়দৰাবাদ, CII, FICCI, ASSOCHAM, PHD ৰ দৰে ঔদ্যোগিক সংস্থাসমূহ, ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম, ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়সমূহ তথা অন্যান্য সংস্থাৰ সেৱা গ্ৰহণ কৰিব।

৪। **যোগ্য ব্যক্তি ঃ**

ব্যক্তিগতভাবে, কৃষক, উৎপাদক গোট, অংশীদাৰীত্ব / মালিকানাধীন পাম, আত্মসহায়ক গোট, কোম্পেনী, কৃষি ঔদ্যোগী, কৃষি ৰপ্তানী মণ্ডলৰ গোট আৰু ব্যক্তিগত বা গোট হিচাপে কৃষি স্নাতকলৈ এই আঁচনিৰ জৰিয়তে সাহায্য আগবঢ়োৱা হৈছে।

পেচাগত ব্যৱস্থাপনা আৰু দায়িত্ববোধৰ বাবে গোটসমূহে সংশ্লিষ্ট আইনৰ অধীনত কোম্পেনী বা উৎপাদকৰ কোম্পেনী গঠন কৰাটো বাঞ্ছনীয়।

৫। **কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ কৰ্তব্য ঃ**

ক) বেংকৰ পৰা টাৰ্ম ঋণ আৰু ভেন্চাৰ মূলধনী সাহায্য (VCA) বিচাৰি প্ৰস্তাৱ পোৱাৰ পিছত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে ক্ষেত্ৰ পৰিদৰ্শন কৰিব আৰু এই নিৰ্দিষ্ট প্ৰকল্পৰ কৃষকৰ সৈতে যোগসূত্ৰ আৰু বিকাশ ক্ষমতাৰ সন্দৰ্ভত সন্তুষ্ট হলে কনছ'ৰ্টিয়ামে বিনিয়োগ কমিটিৰ ওচৰত অনুমোদনৰ বাবে প্ৰস্তাৱ দাখিল কৰিব।

খ) বিনিয়োগ কমিটিৰ ওচৰত অনুমোদনৰ বাবে প্ৰস্তাৱ দাখিল কৰাৰ পাছত পৰিচালন সঞ্চালকে দিয়া মঞ্জুৰী সাপেক্ষে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে সংশ্লিষ্ট বেংকলৈ ভেন্চাৰ মূলধনী সাহায্য মুকলি কৰিব।

গ) উচ্চতৰ ভেন্চাৰ মূলধনী সাহায্যৰ বাবে বিবেচনা কৰিবলৈ প্ৰেৰণ কৰা প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে ইয়াৰ কাৰ্যবাহী সমিতিৰ অনুমোদন বিচাৰিব।

ঘ) প্ৰকল্পৰ উপযুক্ততাৰ সন্দৰ্ভত স্পষ্ট হ'বলৈ বেংকে প্ৰশ্ন উত্থাপন কৰিলে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ প্ৰকল্প উন্নয়নী সুবিধা (PDF) ই

তেনেবোৰ প্ৰকল্পৰ সন্দৰ্ভত অনুসন্ধান কৰাৰ লগে লগে প্ৰকল্পৰ স্থান পৰ্যন্ত পৰিদৰ্শন কৰিব পাৰে আৰু এই সন্দৰ্ভীয় প্ৰতিবেদন এনে প্ৰশংসা প্ৰাপ্তিৰ ৩০ দিনৰ ভিতৰত বেংকলৈ প্ৰেৰণ কৰিব।

ঙ) প্ৰকল্প স্থাপনৰ বাবে ইচ্ছুক গোটৰ পৰা প্ৰকল্প উন্নয়নী সুবিধা (PDF) আৰু ভেন্‌চাৰ মূলধনী সাহায্য (VCA) ৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে পোনপটীয়াকৈ কোনো প্ৰস্তাৱ পালে কনছ'ৰ্টিয়ামে তেনেবোৰ প্ৰস্তাৱ বাণিজ্যিক বেংকৰ দায়িত্বৱাহী বিষয়া (Nodal Officer) লৈ প্ৰেৰণ কৰিব।

চ) উন্নতীকৰণৰ সৈতে জড়িত বিভিন্ন কামকাজ, প্ৰচাৰ, থলুৱা ভাষালৈ নিৰ্দেশিকাৰ অনুবাদ, যোগ্য প্ৰকল্পৰ চিনাক্তকৰণ আৰু উৎপাদক গোট সংগঠিত কৰাৰ বাবে কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক শক্তিশালী কৰি তোলাৰ লগে লগে সহযোগ আগবঢ়াব।

ছ) ভাৰতীয় বেংক সংস্থাই অনুমোদন জনোৱা নমুনা (সংযোজন-২) অনুসৰি ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে আঁচনিত অংশগ্ৰহণকাৰী সমূহ ঋণ দিয়া বেংকৰ সৈতে বুজাবুজিৰ চুক্তিত উপনীত হ'ব।

জ) ভেন্‌চাৰ মূলধনী সাহায্য (VCA) ৰ অধীনত আগবঢ়োৱা একুইটিৰ অংশ পুনঃ প্ৰাপ্তিৰ পথ সহজতৰ কৰিবলৈ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে আবেদনকাৰীৰ সৈতে সুকীয়াকৈ চুক্তি পত্ৰত আৱদ্ধ হ'ব (সংযোজন-৩)।

৬। **ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ কৰ্তব্য ঃ**

ক) সংশ্লিষ্ট ৰাজ্যসমূহত কৃষি ব্যৱসায়িক প্ৰকল্পসমূহৰ উন্নয়ন যথা সম্ভৱ খৰতকীয়া কৰি তুলিবলৈ ১৭ খন ৰাজ্যত ফেডাৰেল গোট হিচাপে ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম গঠন কৰা হৈছে (সংযোজন-৪)।

খ) ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ সৈতে আলোচনা কৰি সংশ্লিষ্ট ৰাজ্যৰ কৃষি ব্যৱসায়িক প্ৰকল্প সমূহৰ উন্নয়নৰ বাবে আঁচনি যুগুত কৰিব।

গ) নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ অধ্যৱসায় আৰু পশ্চাৎমুখী যোগসূত্ৰৰ সন্দৰ্ভত নিশ্চিত হোৱাৰ পিছত ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে কৃষি ব্যৱসায়িক প্ৰকল্প সমূহ একুইটি অংশ গ্ৰহণৰ বাবে কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামলৈ চুপাৰিশ কৰি পঠিয়াব।

ঘ) প্ৰকল্প উন্নয়নী সুবিধা (PDF) আঁচনিৰ সহায়ত ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে সজাগতা আৰু প্ৰচাৰ শিবিৰ, নিৰ্বাচিত প্ৰকল্প স্থাপনৰ বাবে ঔদ্যোগী প্ৰশিক্ষণ, থলুৱা ভাষাত আঁচনিৰ নিৰ্দেশিকাৰ প্ৰকাশ, উন্নতীকৰণ সন্দৰ্ভীয় কাম কাজত অংশ গ্ৰহণ আৰু উৎপাদক গোট সংগঠিত কৰিব।

ঙ) প্ৰাক-সম্ভাৱনীয়তা প্ৰতিবেদন প্ৰস্তুতিত উৎপাদক গোটক সহায় কৰিব আৰু চুপাৰিশৰ বাবে স্থানীয় বেংকৰ সৈতে উৎপাদক গোটৰ পাৰস্পৰিক আলোচনাত সহায় কৰিব।

চ) সম্ভাৱনাপূৰ্ণ অঞ্চল, উৎপাদক গোট, বিভিন্ন শস্যৰ বিপণনযোগ্য ৰাহি ৰ পৰিমাণ আদিৰ তথ্য ভেটি প্ৰস্তুত কৰি তথ্যকোষ হিচাপে কাম কৰিব।

ছ) কৰ্পাচ পুঁজিৰ পৰা আহৰণ কৰা সুতৰ সহায়ত ক্ষুদ্ৰ প্ৰকল্পসমূহক সুতবিহীন ভেন্‌চাৰ মূলধনৰ যোগান ধৰিব আৰু ডাঙৰ প্ৰকল্পসমূহ কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামলৈ চুপাৰিশ কৰি প্ৰেৰণ কৰিব।

জ) SLBC সদস্য হিচাপে SLBC ৰ বৈঠকত সংশ্লিষ্ট ৰাজ্যৰ কৃষি-ব্যৱসায়িক প্ৰকল্পৰ উন্নয়নৰ সৈতে জড়িত বিষয়সমূহ উত্থাপন কৰিব।

ঝ) ৰূপায়ণৰ পৰ্যায়সমূহৰ মাজেৰে প্ৰকল্পসমূহ নিৰীক্ষণ কৰিব আৰু এইবোৰৰ উন্নতি / খুঁতৰ প্ৰতিবেদন প্ৰতিকাৰৰ বাবে কেন্দ্ৰীয় ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামলৈ প্ৰেৰণ কৰিব।

৭। **কৃষি ঔদ্যোগীৰ কৰ্তব্য ঃ**

সমগ্ৰ প্ৰয়াসটোক সফল কৰি তুলিবলৈ টাৰ্ম ঋণ মঞ্জুৰ কৰা সময়ত স্থিৰ কৰা নিৰ্দিষ্ট সময়সূচী অনুসৰিয়েই কৃষি ব্যৱসায়িক প্ৰকল্পটোৰ ৰূপায়ণ সম্পূৰ্ণ কৰি তুলিব লাগিব।

ক) ভেন্‌চাৰ মূলধন মুকলি কৰি দিবলৈ একুইটি পুঁজিৰ পৰিশোধৰ লগতে বেংকৰ টাৰ্ম ঋণ পৰিশোধ কৰাৰ পাছত বন্ধকী সমূহৰ হস্তান্তৰৰ বাবে কৃষি ঔদ্যোগী সকলে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ সৈতে চুক্তিবদ্ধ হ'ব লাগিব।

খ) কৃষি ঔদ্যোগীসকলে প্ৰকল্প ৰূপায়ণৰ সূচী ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম আৰু সংশ্লিষ্ট বেংকক জমা দিব লাগিব আৰু এই সূচী কনছ'ৰ্টিয়ামে ঘনিষ্ঠ ভাবে নিৰীক্ষণ কৰি থাকিব।

গ) প্ৰকল্প ৰূপায়ণ সূচীৰ যি কোনো ধৰণৰ সাল-সলনি বেংক আৰু ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ দৃষ্টি গোচৰ কৰিব লাগিব।

ঘ) প্ৰতিটো বিত্তীয় বৰ্ষৰ শেষত কৃষি ঔদ্যোগী সকলে চাৰ্টাৰ্ড একাউণ্টেণ্টে প্ৰমাণ পত্ৰ দিয়া ভেন্‌চাৰ মূলধনী সাহায্য ব্যৱহাৰৰ প্ৰমাণ পত্ৰ GFR 19 A প্ৰপত্ৰ যোগে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম আৰু সংশ্লিষ্ট বেংকৰ ওচৰত জমা দিব লাগিব। (সংযোজন-৫)

ঙ) কৃষি ঔদ্যোগীসকলে বাৰ্ষিক কায়িক (Physical) অগ্ৰগতিৰ খতিয়ান, হিচাপ পৰীক্ষিত একাউণ্ট আৰু বেলেঞ্চ শ্বীট ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম আৰু সংশ্লিষ্ট বেংকৰ ওচৰত জমা দিব লাগিব।

৮। **যোগ্য বিত্তীয় সংস্থা ঃ**

ৰাষ্ট্ৰীয়কৃত বেংক, ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ সহায়ক বেংকসমূহ আৰু অন্যান্য বাণিজ্যিক বেংক।

৯। **নিৰীক্ষণ আৰু প্ৰতিবেদন প্ৰেৰণ ঃ**

লিখা-লিখি সন্দৰ্ভীয় কাগজ পত্ৰৰ কাম যথাসম্ভৱ কমোৱাৰ লগে লগে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে প্ৰকল্প সমূহলৈ বেংকৰ জৰিয়তে আগবঢ়োৱা ভেন্‌চাৰ মূলধনী সাহায্য সন্দৰ্ভীয় বিশদ তথ্য-পাতি, বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ বাবে গোট সমূহলৈ আগবঢ়োৱা সাহায্য তথা সময়ে সময়ে প্ৰকল্প ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ান কনছ'ৰ্টিয়ামে পাই থকাটো নিশ্চিত কৰিবলৈ নিম্নোক্ত প্ৰতিবেদন প্ৰেৰণৰ সূচী মানি চলা হ'ব।

ক) ভেন্‌চাৰ মূলধনী সাহায্য (VCA) / প্ৰকল্প উন্নয়নী সুবিধা (PDF) ৰ ব্যৱহাৰৰ প্ৰতিবেদন ঃ

ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ পৰা ভেন্‌চাৰ মূলধনী সাহায্য (VCA) হিচাপে লাভ কৰা ধনৰ প্ৰতিটো বণ্টন বেংকে কনছ'ৰ্টিয়ামক জনাই থাকিব লাগিব। প্ৰকল্প ৰূপায়ণৰ অগ্ৰগতি আৰু ইয়াৰ বিপৰীতে ভেন্‌চাৰ মূলধনী সাহায্যৰ অধীনত বেং কৰ জৰিয়তে গোটে লাভ কৰা একুইটিৰ পৰিমাণৰ সন্দৰ্ভটো বেংকে কনছ'ৰ্টিয়ামলৈ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব।

খ) সাহায্য লাভ কৰা গোটৰ কামৰ প্ৰতিবেদন ঃ

পৰিকল্পনা কৰা অনুসৰি নিৰ্দিষ্ট পথেৰে প্ৰকল্পৰ কাম কাজ অগ্ৰসৰ হৈছে নে নাই আৰু ঋণীয়ে প্ৰতিশ্ৰুতি মতে ঋণ পৰিশোধ কৰিছে নে নাই সেয়া উল্লেখ কৰি ভেন্‌চাৰ মূলধনী সাহায্য (VCA) লাভ কৰা গোটৰ কামকাজৰ ওপৰত বেংকে প্ৰতি ছমাহৰ মূৰে মূৰে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক প্ৰতিবেদন দাখিল কৰিব লাগিব।

গ) ব্যতিক্ৰমী কামকাজৰ প্ৰতিবেদন ঃ

প্ৰকল্পৰ ৰূপায়ণকে ধৰি ইয়াৰ সৈতে জড়িত কামকাজৰ যিকোনো উল্লেখযোগ্য অগ্ৰগতি বা সন্তোষজনক বুলি বিবেচিত নোহোৱা যিকোনো ধৰণৰ কামকাজৰ সন্দৰ্ভত বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক অৱগত কৰি থাকিব লাগিব। গোট বা ঋণীয়ে দিয়া বিত্তীয় প্ৰতিশ্ৰুতি ৰক্ষা কৰাত ব্যৰ্থ হ'লে ঋণ পৰিশোধৰ বাবে বেংকে লোৱা বিহীত ব্যৱস্থাৰ সন্দৰ্ভটো বেংকে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামক অৱগত কৰি থাকিব লাগিব।

ঘ) প্ৰকল্প নিৰ্দিষ্ট তথ্য ঃ

ওপৰত উল্লেখ কৰা নিৰ্দ্ধাৰিত প্ৰতিবেদন সমূহৰ উপৰিও প্ৰকল্পৰ সৈতে জড়িত যি কোনো নিৰ্দিষ্ট বিষয়ৰ ওপৰত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে কোনো তথ্য বিচাৰিলে বেংকে সেয়া দিব লাগিব।

ঙ) ক্ষেত্ৰ পৰিদৰ্শন ঃ

কৃষকৰ সৈতে পাশ্চাৎ সংযোগ, প্ৰকল্প স্থানৰ সম্ভাৱনীয়তা, কেঁচা সামগ্ৰীৰ সহজলভ্যতা আদি দিশবোৰৰ সন্দৰ্ভত নিশ্চিত হ'বলৈ ভেন্‌চাৰ মূলধনী সাহায্য মঞ্জুৰ কৰাৰ আগেয়ে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে এই সমগ্ৰ অধ্যৱসায়ৰ এটা অংশ হিচাপে ক্ষেত্ৰ পৰিদৰ্শন কৰিব।

১০। **ৰূপায়ণৰ সময় ঃ**

দশম পৰিকল্পনাৰ ২০০৫-০৬ আৰু ২০০৬-০৭ চনৰ কালচোৱাত ৪৮ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ সৈতে এই আঁচনিখন ৰূপায়ণ কৰা হ'ব।

১১। **ৰূপায়ণকাৰী সংস্থা ঃ**

কৃষি মন্ত্ৰালয়ৰ কৃষি আৰু সমবায় বিভাগৰ পঞ্জীভুক্ত সমিতি ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামে এই আঁচনিখন ৰূপায়ণ কৰিব।

১২। **সজাগতা বৃদ্ধি, প্ৰচাৰ আৰু প্ৰশিক্ষণ সূচী ঃ**

সম্ভাব্য ঔদ্যোগী আৰু উৎপাদক সংস্থা সমূহৰ কামত অহাকৈ ভেন্‌চাৰ মূলধনী সাহায্য আঁচনি (VCA) ৰ উপযোগিতা সমূহৰ ব্যাপক প্ৰচাৰৰ বাবে ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ প্ৰকল্প উন্নয়নী সুবিধাই (PDF) ৰাষ্ট্ৰীয় কৃষি বিপণন প্ৰতিষ্ঠান (NIAM) জয়পুৰ, ৰাষ্টীয় কৃষি সম্প্ৰসাৰণ ব্যৱস্থাপনা প্ৰতিষ্ঠান (MANAGE) হায়দৰাবাদ, CII , FICCI, ASSOCHAM, PHD ৰ দৰে ঔদ্যোগিক সংস্থাসমূহ , ৰাজ্যিক ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম, ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয় সমূহ তথা অন্যান্য সংস্থাৰ সেৱা গ্ৰহণ কৰিব।

## ক্ষুদ্র কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম আৰু ঋণীৰ মাজৰ চুক্তি পত্ৰ

.................................................... ত ব্যৱসায়িক স্থান/ পঞ্জীয়নভুক্ত কাৰ্য্যালয় থকা, ভাৰতীয় কোম্পানী আইন, ১৯৫৬ ৰ অন্তৰ্ভুক্ত কৃষকৰ সংস্থা / কোম্পানী মেচাৰ্চ................................................................................ ক যাক ইয়াৰ পাছৰ পৰা উল্লেখ কৰা হ'ব 'ঋণী' বুলি ( যিয়ে তেওঁ / উত্তৰাধিকাৰী / কাৰ্যনিৰ্বাহ কৰা ব্যক্তি/ . প্ৰশাসক / স্থলাভিষিক্ত ব্যক্তি / আইনী স্বত্ব লাভ কৰা ব্যক্তিক সামৰি ল'ব) প্ৰথম পক্ষ হিচাপে আৰু দ্বিতীয় পক্ষ হিচাপে এন.চি. ইউ. আই. অডিট'ৰিয়াম ভৱন, ৫ম মহলা, ৩, চিৰি ইন্সটিটিউশ্যনেল এৰিয়া, আগষ্ট ক্ৰান্তি মাৰ্গ, হৌজ খাছ, নতুন দিল্লী - ১১০০১৬ ত পঞ্জীয়নভুক্ত কাৰ্য্যালয় থকা, সমিতি পঞ্জীয়ন আইন, ১৮৬০ৰ অধীনত পঞ্জীয়নভুক্ত ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম, ইয়াৰ পাছত যাক উল্লেখ কৰা হ'ব এচ. এফ. এ. চি. (যিয়ে আইনী স্বত্ব লাভ কৰা ব্যক্তি, উকীল আৰু উত্তৰাধিকাৰীক সামৰি লব) ৰ

মাজত

আজি দুহেজাৰ .........................চনৰ (২০................) .................................................. মাহৰ ....................... তাৰিখে এই চুক্তি সম্পন্ন কৰা হ'ল।

য'ত প্ৰথম পক্ষৰ বাবে প্ৰয়োজন হোৱা ভেন্‌চাৰ মূলধনী সাহায্য যি ঋণ আগবঢ়োৱা বেংক (ইয়াৰ পিছত বেংক বুলি উল্লেখ কৰা হ'ব) ৰ টাৰ্মঋণ পুনঃ প্ৰাপ্তি বা টাৰ্ম ঋণৰ সূচীভুক্ত শেষ তাৰিখ- যিটোৰেই আগতে হয়- নিজে ঋণলৈ পৰিৱৰ্তিত হ'ব।

অংশগ্ৰহণকাৰী বেংকক তেওঁ / তেওঁলোকে.........................তাৰিখে জনোৱা আবেদন অনুসৰি প্ৰথম পক্ষক নতুন প্ৰচেষ্টা (কৃষি ব্যৱসায় প্ৰকল্প ) ৰ সফল ৰূপায়ণৰ বাবে ভেন্‌চাৰ মূলধনী সাহায্য হিচাপে — যিটো ওপৰত উল্লেখ কৰা ধৰণে নিজে নিজে ঋণলৈ পৰিৱৰ্তিত হ'ব - এচ. এফ. এ. চি. য়ে .......................................টকা (.........................................টকা) মঞ্জুৰ কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। বেংকৰ ঋণ পৰিশোধৰ আগতীয়াকৈ ঠিক কৰা হাৰত এচ.এফ.এ.চি. য়ে আগবঢ়োৱা এই ভেন্‌চাৰ মূলধন পৰিশোধ কৰাৰ বাবে ঋণীয়ে সুবিধা পাব।

য'ত ঋণীয়ে এচ. এফ. এ. চি ক সময়ে সময়ে আদায় দিবলগীয়া পৰিশোধেয় ধনৰ বাবে এচ. এফ. এ. চিয়ে আগবঢ়োৱা ভেন্‌চাৰ মূলধনী সাহায্যৰ সমমূল্যৰ বন্ধকী হিচাপে ওপৰত উল্লেখিত শপত বিবেচনা কৰি এচ. এফ. এ. চি.য়ে বিচৰা ধৰণে প্ৰথম পক্ষৰ ন্যায়নিষ্ঠ /পঞ্জীয়নকৃত সম্পত্তি / কৃষিভূমিৰ আৰোপিত মূল্য/ ভুমি তথা আনুষংগিক সা-সৰঞ্জাম। সংযোজন-১ ত উল্লেখ কৰা ধৰণে ভৱন আৰু মালবস্তু / যন্ত্ৰপাতি / বাহন / সৰঞ্জাম / পশুধন / প্ৰাকৃতিকভাৱে বৃদ্ধি প্ৰাপ্ত বস্তু , অন্যান্য বৃদ্ধি বা ক্ৰয় কৰা সামগ্ৰী যাক সামগ্ৰিকভাৱে বন্ধকত থোৱা সম্পত্তি বুলি কোৱা যায়। ঋণৰ বাবে জমা দিয়া সম্পত্তি আৰু সংযোজন-খ ত বিশদভাৱে বৰ্ণনা কৰা বস্তু আৰু ঋণীৰ স্বত্বত থকা সম্পত্তি বন্ধক হিচাপে থাকিব। তেনেদৰে এচ. এফ. এ . চি আৰু ঋণীয়ে সন্মতি প্ৰকাশ কৰা অন্যান্য চৰ্তসমূহ এনেধৰণৰ ঃ-

১। ঋণী কোম্পানীৰ / সংস্থাৰ মুখ্য কৰ্য্যবাহী বিষয়াজন নিশ্চিত ভাবে পেচাদাৰী ব্যক্তি হ'ব লাগিব আৰু পৰিয়ালৰ সদস্য হ 'ব নোৱাৰিব।

২। টাৰ্ম ঋণ নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণকৈ আদায় নোহোৱালৈকে প্ৰকল্পৰ সম্পত্তি সমূহ বেংকৰ জিম্মাত থাকিব।

৩। বেংকে ঋণৰ বাবে পৰিশোধেয় ধন সম্পূৰ্ণকৈ আদায় কৰি লোৱা দিন নাইবা টাৰ্ম ঋণ পৰিশোধৰ অন্তিম দিন যিটোৰেই আগতে প্ৰযোজ্য হয় -- সেই দিনটোৰ পৰা স্বয়ংক্ৰিয় ভাবে ভেন্‌চাৰ মূলধনী সাহায্য ঋণলৈ পৰিৱৰ্ত্তিত হ 'ব।

৪। টাৰ্ম ঋণ পৰিশোধ কৰাৰ বাবে নিৰ্দ্ধাৰণ কৰা নিৰ্দিষ্ট তাৰিখৰ আগেয়ে ঠিক কৰা হাৰত ঋণীয়ে এচ.এফ.এ. চি. য়ে আগবঢ়োৱা একুইটিৰ পৰিমাণ পৰিশোধ কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

৫। আগেয়ে বেংকৰ জিন্মাত থকা প্ৰকল্পাধীন সম্পত্তি পৰিবৰ্তিত ঋণ হিচাপে এচ.এফ. এ. চি. ৰ অধীনলৈ (বন্ধকী / ঋণৰ বাবে জমা ৰখা সম্পত্তি হিচাপে) আহিব আৰু এই পৰিবৰ্তিত ঋণ আৰু সুতৰ বিলোপ সাধন নোহোৱালৈকে এই সম্পত্তি এচ. এফ. এ. চি. ৰ জিন্মাত থাকিব।

৬। যি উদ্দেশ্যৰে ভেন্‌চাৰ মূলধনী সাহায্য / ঋণ এচ. এফ. এ. চি. য়ে আগবঢ়াইছে একমাত্ৰ সেই উদ্দেশ্যতহে ঋণীয়ে এই ভেন্‌চাৰ মূলধনী সাহায্য / ঋণ ব্যৱহাৰ কৰিব পাৰিব। অইন ক্ষেত্ৰ/অপব্যৱহাৰ/উদ্দেশ্য/বহিৰ্ভুত ক্ষেত্ৰত এই ধন ব্যৱহাৰ কৰিলে এচ.এফ.এ. চি.য়ে একেলগে এই ধন ওভোটাই লোৱাৰ কৰ্তৃত্ব থাকিব।

৭। বেংকৰ ঋণ পৰিশোধ আৰু স্বয়ংক্ৰিয়ভাৱে পৰিবৰ্তিত ঋণ পৰিশোধৰ ঠিক পিছতেই যদিহে ঋণীয়ে ভেন্‌চাৰ মূলধন একেলগে পৰিশোধ নকৰে তেনেহলে সুতেৰে সৈতে সমূহ ধন তিনিমহীয়া কিস্তিত ঘুৰাই দিব লাগিব। টাৰ্ম ঋণৰ ক্ষেত্ৰত বেংকে নিৰ্দিষ্ট কৰা সুতৰ হাৰেই এইক্ষেত্ৰতো প্ৰযোজ্য হব।

৮। এচ. এফ. এ. চি ৰ নিয়ম অনুসৰি কিস্তিৰ ধন, সুত, আৰোপিত মূল্য, ব্যয়, খৰচেৰে টাৰ্ম ঋণ পৰিশোধ কৰাৰ পিছত ঋণীয়ে এচ. এফ. এ. চি ৰ নিৰ্দেশ অনুসৰি যথেষ্ট পৰিমাণে ধন জমা থকা তেওঁৰ / তেওঁলোকৰ চেভিংচ বেংক / চলিত হিচাপৰ একাউণ্ট নং ...................... দেনাৰ হিচাপ নিকাচৰ বাবে ব্যৱহাৰ কৰাৰ বাবে বেংকক কতৃত্ব দিব লাগিব।

৯। ভেনচাৰ মূলধনৰ পৰা ঋণমুক্ত নোহোৱালৈকে বন্ধকত থোৱা আৰু ঋণৰ বাবে জমা দিয়া সম্পত্তিসমূহ ভাল অৱস্থাত থকা বুলি আৰু এই সম্পত্তিসমূহৰ তেওঁ/ তেওঁলোকেই একমাত্ৰ গৰাকী বুলি ঋণীয়ে ঘোষণা আৰু নিশ্চিত কৰিব লাগিব আৰু / নাইবা সংযোজন -‘খ’ ত উল্লেখ কৰা ধৰণে ভূমিৰ ভোগদখল কৰা বুলি নিশ্চিত কৰিব লাগিব।

১০। ঋণীয়ে চাৰ্টাৰ্ড একাউণ্টেটৰ দ্বাৰা নিয়মীয়াকৈ স্বাক্ষৰিত তেওঁলোকৰ বেলেঞ্চ শ্বীট / বিত্তীয় প্ৰতিবেদন এচ. এফ. এ. চি ক প্ৰতিবছৰে জমা দিব লাগিব।

১১। ঋণীয়ে নিম্নোক্ত চৰ্তসমূহ পালন কৰিবলৈ সন্মতি প্ৰদান কৰিছে ঃ--

(ক) অনাকাংক্ষিত পৰিস্থিতি, ক্ৰোক, বিক্ৰী আদিৰ পৰা বন্ধকত থোৱা / ঋণৰ বাবে জমা দিয়া সম্পত্তিসমূহ মুক্ত কৰি ৰাখিবলৈ বিভিন্ন কৰ, মূল্য আৰু ভাড়া নিয়মীয়াকৈ পৰিশোধ কৰি থাকিব।

(খ) সূচীত অন্তৰ্ভূক্ত চলন্ত /অচলন্ত সম্পত্তিসমূহ বন্ধক, আমানত, মূল্য আৰোপ, ঋণৰ বাবে জমা, বিক্ৰী নাইবা নিষ্পত্তি কৰিব নোৱাৰিব।

(গ) ঋণীৰ আচৰণৰ বাবে এইসমূহৰ ক্ষতি হলে এচ. এফ. এ. চি ক ঋণীয়ে ক্ষতিপূৰণ দিয়াৰ বাবে সকলো সময়তে সাজু হৈ থাকিব লাগিব।

(ঘ) এচ. এফ. এ. চি ৰ সৈতে লেন-দেন অমীমাংসীত হৈ থকালৈকে ঋণীয়ে কোনো ব্যক্তি / প্ৰতিষ্ঠানৰ পৰা বিত্তীয় সাহায্য গ্ৰহণ কৰিব নোৱাৰিব।

(ঙ) এচ. এফ. এ. চিয়ে বিচৰা ধৰণে অন্য দলিল পত্ৰ আৰু /বা যিকোনো তথ্যপাতি সম্পন্ন কৰিব লাগিব আৰু ইয়াৰ বাবে এচ. এফ. এ. চিয়ে নিৰ্দেশ দিয়ামতে নিৰ্দিষ্ট কতৃপক্ষৰ সৈতে হোৱা অতিৰিক্ত ব্যয়, বন্ধকী, পঞ্জীয়নৰ খৰচ আদি তেওঁ / তেওঁলোকে নিজে বহন কৰিব লাগিব।

(চ) এচ. এফ. এ. চিয়ে বিচৰাধৰণে বা ‘এচ. এফ. এ. চি দফা’ৰ সৈতে মিলি যোৱা সময় সাপেক্ষ যিকোনো আইন / আঁচনিত উল্লেখ কৰা ধৰণে জুই আৰু/ বা তেনেধৰণৰ অন্যান্য ক্ষয়-ক্ষতিৰ বিপৰীতে সম্পূৰ্ণ বজাৰ মূল্য পোৱাৰ বাবে বন্ধকত থোৱা / ঋণৰ বাবে জমা দিয়া সম্পত্তিসমূহৰ বীমা কৰিব লাগিব আৰু এইবোৰ এচ. এফ. এ. চিলৈ হস্তান্তৰ কৰিব লাগিব।

(ছ) যিকোনো ধৰণৰ দাবী (claim) এচ. এফ. এ. চি আৰু বীমা কোম্পানীক প্ৰয়োজনীয় তথ্য পাতিৰ যোগান ধৰা আদি বিষয়ত সকলো ধৰণৰ ব্যৱস্থা ল’ব লাগিব।

(জ) দাবীৰ ক্ষেত্ৰত এচ. এফ. এ. চিয়ে বীমা কোম্পানীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ সলনি ঋণীয়ে এচ. এফ. এ. চিক অমীমাংসিত হৈ থকা লেন-দেনৰ সমগ্ৰ ধন পৰিশোধ কৰাৰ বাবে বাধ্য থাকিব।

(ঝ) এচ. এফ. এ. চিৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা অন্তিম পৰ্য্যায়লৈকে জমাৰ বিপৰীতে ঋণীয়ে বন্ধক থোৱা সম্পত্তি 'নিৰৱচ্ছিন্ন বন্ধকী' হিচাপে বিবেচিত হ'ব আৰু কোনো ক্ষেত্ৰতে এই উদ্দেশ্যে দিয়া বন্ধকী মাজভাগত সমাপ্ত নহ'ব।

(ঞ) সময়ত প্ৰয়োজন হোৱা সকলো ধৰণৰ পাৰ্মিট আৰু লাইচেন্স উলিয়াব আৰু ব্যৱহাৰ কৰিব লাগিব।

১২। চুক্তি অনুসৰি এচ. এফ. এ. চি ক দিবলগীয়া যিকোনো ধন বা পৰিশোধেয় ধন আদায় দিয়াত ঋণী ব্যৰ্থ হ'লে বা বন্ধক থোৱা সম্পত্তি এচ. এফ. এ. চি ৰ বাবে লেঠা বুলি প্ৰতিপন্ন হ'লে ঋণীৰ পৰা এচ. এফ. এ. চি য়ে আদায় পাবলগীয়া অমীমাংসিত লেন-দেনৰ ধন পুনঃ প্ৰাপ্তিৰ বাবে আৰু এচ. এফ. এ. চি নিজৰ ধন ঘূৰাই পোৱাৰ বাবে কৰা খৰছ ওভতাই পোৱাৰ বাবে বন্ধক থোৱা সম্পত্তি এচ. এফ. এ. চি য়ে ব্যৱহাৰ বা বিক্ৰী কৰিবলৈ এচ. এফ. এ. চি য়ে বিচৰা অনুসৰি ঋণীয়ে উক্ত সম্পত্তি এচ. এফ. এ. চি লৈ হস্তান্তৰ কৰিব লাগিব।

১৩। এচ. এফ. এ. চি ৰ বিষয়া বা কতৃত্বপ্ৰাপ্ত যিকোনো লোকে যিকোনো স্থানত থকা বন্ধক থোৱা বা ঋণৰ বাবে জমা দিয়া সম্পত্তি চাবলৈ, পৰিদৰ্শন কৰিবলৈ, এক নিৰ্দিষ্ট তাৰিখত ( যি তাৰিখত সমস্ত ভেন্‌চাৰ মূলধন ঋণমুক্ত হ'ব লাগে ), অপৰিশোধেয় হৈ থকা যিকোনো পৰিমাণৰ ধনৰ ক্ষেত্ৰত সম্পদৰ তালিকা আৰু মূল্যমান স্থিৰ কৰিবলৈ সেই স্থানলৈ যাব আৰু থাকিব পাৰিব আৰু ন্যায়ালয়ৰ হস্তক্ষেপ অবিহনে সেই বন্ধক থোৱা বা ঋণৰ বাবে জমা থোৱা সম্পত্তি বিক্ৰী নাইবা ব্যৱহাৰ নাইবা নিস্পত্তি কৰিবলৈ বা ৰাজহুৱা নিলাম বা ব্যক্তিগত চুক্তি কৰি এচ. এফ. এ. চি ক দিবলগীয়া অপৰিশোধেয় ধন এচ. এফ. এ. চি ৰ নিয়ম অনুসৰি নগদ হিচাপে ওভোতাই ল'ব। এনেধৰণৰ বিক্ৰী বা মূল্য প্ৰাপ্তিৰ ব্যৱস্থা আৰু অপৰিশোধেয় হৈ থকা ধন এনেদৰে এচ. এফ. এ. চি য়ে তৎক্ষণাত ঘূৰাই পোৱাৰ ক্ষেত্ৰত ঋণীয়ে ইয়াৰ দ্বাৰা সন্মতি প্ৰকাশ কৰিছে। বন্ধক থোৱা সম্পত্তি আৰু ঋণৰ বাবে জমা দিয়া সম্পত্তি বিক্ৰীৰ জৰিয়তে এচ. এফ. এ. চি য়ে নিজৰ ধন ঘূৰাই পাবলৈ কৰা খৰচ এচ. এফ. এ. চি য়ে ঋণীৰ পৰা ঘূৰাই পাবলগীয়া অমীমাংসীত ঋণৰ পৰিমাণৰ সৈতে যোগ হ'ব আৰু এয়া ঋণীৰ পৰা পৰিশোধেয় হ'ব।

১৪। ইয়াৰ জৰিয়তে ঋণীয়ে ঘোষণা কৰে যে এই চুক্তিত অন্তৰ্ভূক্ত বিষয়সমূহ তেওঁ / তেওঁলোকে পঢ়িছে / পঢ়ি শুনোৱা হৈছে / তেওঁ / তেওঁলোকৰ ব্যাখ্যা কৰা হৈছে আৰু তেওঁ / তেওঁলোকে এই বিষয়সমূহ বুজি পাইছে আৰু এইবোৰ মানি চলিবলৈ তেওঁ / তেওঁলোকে সন্মতি জনাই স্বাক্ষৰ কৰিছে।

১৫। সূচীত অৰ্ন্তভূক্ত যিকোনো মালবস্তু বা সম্পত্তি সময়ত পঁচি গ'লে, পুৰণি হ'লে, সলনি কৰিবলৈ হ'লে, ঘূণীয়া হ'লে, নষ্ট হ'লে বা ভাঙি গ'লে ঋণীৰ ব্যৱসায়ৰ কথা চিন্তা কৰি প্ৰয়োজন সাপেক্ষে সমমূল্যৰ বস্তুৰে এই সম্পত্তিসমূহ ঋণীৰ বিবেচনা সাপেক্ষে নতুন কৰিব বা সলাব পাৰিব। ইয়াৰ অন্যথা যিকোনো কাৰণতেই সূচীভূক্ত সম্পত্তিসমূহ পঁচি যোৱা, পুৰণি হোৱা, ঘূণীয়া হোৱা, অন্যৰ দ্বাৰা নষ্ট হোৱা বা ভাঙি যোৱাৰ ক্ষেত্ৰত এই সম্পত্তিসমূহ এচ. এফ. এ. চি ৰ লিখিত সন্মতি অবিহনে আঁতৰাব বা ভাঙি পেলাব নোৱাৰিব।

চুক্তিৰ সৈতে জড়িত যিকোনো ধৰণৰ অমীমাংসিত বিষয়ৰ ক্ষেত্ৰত ইয়াৰ নিস্পত্তিৰ বাবে এনে বিষয়সমূহ নতুন দিল্লীৰ টান্‌ছেন মাৰ্গৰ ফেডাৰেশ্যন ভৱনত থকা ভাৰতীয় আৰ্বিট্ৰেশ্যন পৰিষদলৈ প্ৰেৰণ কৰিব পাৰিব আৰু আৰ্বিট্ৰেশ্যন আৰু কনছিলিয়েশ্যন আইন ১৯৯৬ ৰ চৰ্তসমূহ প্ৰযোজ্য হ'ব। এনেধৰণৰ বিষয়ত অকল দিল্লীতহে আলোচনা হ'ব।

সূচী- ক

# স্থায়ী সম্পত্তি

| ক্ৰমিক নং | সবিশেষ বিস্তৃতি | সম্পত্তিৰ ধৰণ | স্থান আৰু সীমা | আনুমানিক মূল্য |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |

সূচী -খ

## চলনশীল / অস্থায়ী সম্পত্তি

| ক্ৰমিক নং | সবিশেষ / বিস্তৃতি | স্থান আৰু সীমা | আনুমানিক মূল্য |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

ওপৰোক্ত সাক্ষ্যৰ ভিত্তিত দুই পক্ষৰ দ্বাৰা --------------------- চনৰ ---------------মাহৰ ----------------------- তাৰিখত এই চুক্তি সম্পন্ন কৰা হ'ল।

ঋণী
(নাম আৰু পদবী)

এচ. এফ. এ. চি ৰ হৈ

(নাম আৰু পদবী)

সাক্ষীৰ স্বাক্ষৰ
(নাম আৰু পদবী)

সাক্ষীৰ স্বাক্ষৰ

ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়াম আৰু বেঙ্কৰ মাজত হ'ব লগা চুক্তিপত্ৰৰ আদৰ্শ প্ৰপত্ৰখন আৰু বিভিন্ন ৰাজ্যৰ ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰ্টিয়ামৰ ঠিকনাসমূহ আপোনালোকৰ জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ত থকা ইংৰাজী ভাষাৰ কৃষি ব্যৱসায় উন্নয়নৰ বাবে ভেন্চাৰ মূলধনী আঁচনিৰ কাৰ্য্যবাহী নিৰ্দেশিকা নাইবা CIC ত **'আশা'** ৱেব প'ৰ্টেল ( www.assamagribusiness.nic.in) ত উপলব্ধ হ'ব।

৩। ক্ষেত্ৰীয় প্ৰকল্প সমন্বয়ক, ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছৰ্টিয়াম, ক্ষেত্ৰীয় কাৰ্য্যালয় (উত্তৰ-পূব), গুৱাহাটী-৫ ঃ ফোন নং - ০৩৬১-২৪৫০৩৩৭